**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১।　ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তুংগত। বিহালীত বিজেপি প্ৰাৰ্থীৰ হৈ আজি সৰ্বানন্দ সোণোৱালৰ প্ৰচাৰ।

২।　অসম তথা উত্তৰ পূৰ্বাঞ্চলত জৈৱ ইন্ধনৰ দ্বাৰা নতুন প্ৰজন্ম স্বাৱলম্বী হোৱাৰ যথেষ্ট সম্ভাৱনা থকা বুলি প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰৰ মত প্ৰকাশ।

৩।　ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস মহোৎসৱক কেন্দ্ৰ কৰি উখল-মাখল পৰিৱেশ। **আৰু**

৪।　ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি দ্বিতীয়খন খেল।

০০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। কাইলৈ এই প্ৰচাৰ অভিযানৰ অন্ত পৰাৰ পূৰ্বে দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটাৰৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দিগন্ত ঘাটোৱালৰ হৈ বিহালী সমষ্টিত প্ৰচাৰ চলাব। কালি তেওঁ চামগুৰি বিধানসভা সমষ্টিত দলটোৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

মন্ত্ৰী কেশৱ মহন্তইও চামগুৰিত মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকীৰ হৈ কালি প্ৰচাৰ সভাত অংশ লয়। ধলাই সমষ্টিত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰচাৰ সভাত অংশ লয়।

ইফালে কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনে বিহালীত, চামগুৰিত কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই দলীয় প্ৰাৰ্থীৰ হৈ কালি প্ৰচাৰ চলায়। আনহাতে চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাজনৈতিক হিংসাৰ ঘটনা অব্যাহত আছে। কালি ৰাজনৈতিক অৰিয়াঅৰিৰ ফলস্বৰূপে সমষ্টিটোত গুলী চালনাৰ ঘটনা সংঘটিত হয়।

ৰাজ্যৰ উপ নিৰ্বাচন হবলগীয়া ৫ টা সমষ্টিৰ ভিতৰত আম আদমী পাৰ্টীয়ে বিহালী আৰু চামগুৰি সমষ্টিত প্ৰতিদ্বন্দিতা কৰিছে।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০০০০

বিজেপিৰ ঝাৰখণ্ড নিৰ্বাচনৰ সহপ্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিগত কেইবাদিনো ধৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলোৱাৰ পাছত আজি তেওঁ ছত্ৰা আৰু লাটেহাৰত দলৰ হৈ প্ৰচাৰ চলাব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আজি ঝাৰখণ্ডত দুখন নিৰ্বাচনী সভাত ভাষণ দিয়াৰ লগতে এটা নিৰ্বাচনী সমদলত অংশগ্ৰহণ কৰিব। তেওঁ দুপৰীয়া বোকাৰোৰ চন্দনকিয়াৰি বিধানসভা সমষ্টিৰ চান্দিপুৰ ফুটবল খেলপথাৰত প্ৰথমখন সভাত অংশ ল'ব। ইয়াৰ পাছত শ্ৰী মোদীয়ে বিয়লি গঢ়বাত দ্বিতীয়খন নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা হেমন্ত চোৰেনে তামাৰ, খিজ্ৰি আৰু ভৱনাথপুৰত কেইবাখনো নিৰ্বাচনী সভা সম্বোধন কৰিব। আনহাতে আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজস্বী যাদৱে চতৰাৰ হাণ্টাৰগঞ্জত দলৰ হকে প্ৰচাৰ চলাব। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱেও আজি দেওঘৰ, সাৰথ আৰু পোৰেয়াহাটত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব।

০০০০০০

ভাৰতে সৌৰ সহযোগিতাৰ পাছতে জৈৱ ইন্ধনৰ সহযোগিতাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বক সজাগ কৰাৰ প্ৰয়াস কৰিব। অসম তথা উত্তৰ পূৰ্বাঞ্চলতো জৈৱ ইন্ধনৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা আছে আৰু ইয়াৰ দ্বাৰা নতুন প্ৰজন্মই স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত হ'ব পাৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্পʼৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁলোকে কয় যে, জৈৱ ইন্ধনৰ ব্যৱহাৰৰ দ্বাৰা পৰিৱেশ প্ৰদূষণ হ্ৰাস কৰাৰ লগতে অৰ্থনীতি টনকীয়াল হোৱাৰ সম্ভাৱনা থাকে। এই ইন্ধনৰ ব্যৱহাৰে গ্ৰীন হাউছ গেছৰ নিৰ্গমন ৰোধ কৰাৰ উপৰি কাৰ্বন প্ৰাবল্য হ্ৰাস কৰি পৃথিৱীত জীৱৰ অস্তিত্বৰ বাবে পৰিৱেশ অনুকূল কৰি ৰাখে। তেওঁলোকে লগতে কয় যে, জৈৱ ইন্ধনৰ অন্তহীন উৎস থকাৰ পৰিপ্ৰেক্ষিতত এই ইন্ধনৰ নাটনি হোৱাৰ কোনো আশংকা নাথাকে। আৱৰ্জনা, বিভিন্ন বৰ্জ সামগ্ৰী আদি ব্যৱহাৰৰ দ্বাৰাও জৈৱ ইন্ধন উৎপাদন কৰিব পাৰি বুলি তেওঁলোকে কয়। এই সন্দৰ্ভত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰই এইদৰে কয়-

**বাইট (অৰূপ মিশ্ৰ)**

ভাৰতে জৈৱ ইন্ধনৰ ব্যৱহাৰৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ বাবে ২০১৪ চনত জীৱাশ্ম ইন্ধনৰ সৈতে ইথানল মিশ্ৰণ ১ দশমিক ৪ শতাংশৰ পৰা যোৱা বছৰত ১৫ শতাংশলৈ বৃদ্ধি পাইছে বুলি তেওঁলোকে জানিবলৈ দিয়ে। এই মিশ্ৰণ ২০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। যুৱ প্ৰজন্ম জৈৱ ইন্ধন উৎপাদনৰ দ্বাৰা স্বাৱলম্বী হ'ব পাৰে বুলি উল্লেখ কৰি তেওঁলোকে কয় যে এই ইন্ধনৰ এখন উন্নত বজাৰ আছে আৰু সংশ্লিষ্ট কোম্পানীসমূহে উৎপাদিত স্থানৰ পৰাই এই ইন্ধন ক্ৰয় কৰে। অৱশ্যে এইক্ষেত্ৰত মাটিৰ চাহিদা, পানীৰ প্ৰয়োজন অধিক আদিৰ বাবে কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হয় যদিও এনে প্ৰত্যাহ্বান গ্ৰহণ কৰি সফল হ'ব পৰা যায় বুলি তেওঁলোকে কয়।

০০০০০০

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল

কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে পলিঅ', বসন্ত, হেপাটাইটিছ-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰত এই মঞ্চত ৬ কোটি ৪৬ লাখ হিতাধিকাৰীৰ পঞ্জীয়ন হৈছে আৰু ইয়াৰ এক কোটি ৪ লাখ প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

ভাৰতে ২০২১ চনৰ জানুৱাৰীত আৰম্ভ কৰা কোভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সমগ্ৰ বিশ্বতে সফলৰূপে পৰিগণিত হৈছে। বিগত বৰ্ষৰ জানুৱাৰীত এই কাৰ্যসূচীৰ অধীনত ২২০ কোটিৰো অধিক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ৯৭ শতাংশ যোগ্য হিতাধিকাৰীক কমেও এপালি প্ৰতিষেধক প্ৰদান কৰাৰ বিপৰীতে ৯০ শতাংশক দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত উৎসাহ উদ্দীপনা সৃষ্টি হৈছে। অহা ১৫ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিভিন্ন স্থানত ৰাস মহোৎসৱ উদযাপিত হ'ব।

মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআঁটী, বেঙেণাআঁটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ হিচাপে বিবেচিত হোৱাৰ লগতে দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহণীয়া পৰম্পৰাই আকৰ্ষণ কৰে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত এইবাৰো ৰাসলীলাৰ আখৰা পূৰ্ণোদ্যমে চলি আছে। ৰাস মহোৎসৱৰ প্ৰস্তুতি সন্দৰ্ভত আকাশবাণীৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়—-

**(বাইট)**

উজনি অসমৰ লখিমপুৰ, শিৱসাগৰ, যোৰহাটকে ধৰি আন কেইবাখনো ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। গুৱাহাটী মহানগৰীতো ৰাস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃন্ময় মুৰ্তিৰ সহায়ত ৰাসলীলা পৰিৱেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়।

০০০০০০

বিটিচি প্ৰশাসনৰ উদ্যোগত অহা ১৫ আৰু ১৬ নৱেম্বৰত নতুন দিল্লীত দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হ'ব। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত বড়ো সমাজৰ কলা-সংস্কৃতি আদি প্ৰদৰ্শন কৰা হ'ব। ১৫ নৱেম্বৰৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰাৰ কথা। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি কালি বিয়লি কাজলগাঁৱত বড়ো সাহিত্য সভা, নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাংস্কৃতিক মঞ্চৰ উদ্যোগত এটা শোভাযাত্ৰা উলিওৱা হয়।

০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নির্বাচনৰ প্ৰচাৰৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰিকাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ সৈতে অসমৰ সীমা বিবাদ নিষ্পত্তি সন্দৰ্ভত শেহতীয়াকৈ কেন্দ্ৰীয় গৃহ সচিবৰ সভাপতিত্বত অনুষ্ঠিত হোৱা পুনৰীক্ষণ বৈঠক সন্দৰ্ভত এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশৰ এটা ৰে'ল ষ্টেচনত আত্মঘাতী বিস্ফোৰণত ৪৬ গৰাকী লোকৰ গুৰুতৰভাৱে আহত হোৱাৰ লগতে ২৫ গৰাকী লোক নিহত হৈছে। বিস্ফোৰণত আহত আৰু নিহতৰ ভিতৰত ১৬ জন সেনা জোৱান। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম বেলুচিস্তানৰ ৰে'ল ষ্টেচনত ভয়ংকৰ বিস্ফোৰণ।

ৰাজ্যত বাহকজনিত ৰোগৰ ভয়াবহতা বৃদ্ধি পোৱা সন্দৰ্ভত এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে জাপানী এনকেফেলাইটিছত ১১ মাহত ৫২ গৰাকীৰ প্ৰাণ হানি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰামে অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত গুৱাহাটীত কৰা মন্তব্যৰ পাছতে ৰাজ্যৰ বহুকেইটা দল-সংগঠনে বিষয়টোকলৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ঠায়ে ঠায়ে প্ৰধানমন্ত্ৰী, জনজাতি পৰিক্ৰমা মন্ত্ৰীৰ লগতে  মুখ্যমন্ত্ৰীৰ জুমুঠি দাহেৰে দল সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত সংঘটিত ট্ৰেডিং জালিয়াতিৰ তদন্ত কৰি থকা চি বি আয়ে পৰ্যাপ্ত তথ্যৰ সন্ধানত ১৫টা স্থান অভিযান চলাইছে। ৪১টা গোচৰৰ তদন্তৰ বাবে ক্ষীপ্ৰতাৰে কাম আৰম্ভ কৰিছে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। এই ক্ষেত্ৰত বিড়ম্বনাৰ সন্মুখীনো হৈছে চি বি আয়ে। এই বাতৰিটো আমাৰ অসম কাকতে পৰ্যাপ্ত তথ্যৰ সন্ধানত ১৫ ঠাইত চি বি আইৰ অভিযান শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দীঘলীপুখুৰীৰ পিছত এইবাৰ গুৱাহাটীৰে ভৰলুমুখত উৰণ সেঁতু নিৰ্মাণক লৈ প্ৰকৃতি ধংসৰ পৰিকল্পনাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ ৰাইজৰ, হাতে হাতে প্লে কাৰ্ড লৈ ৰাইজৰ বিক্ষোভ। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভয়ংকৰভাৱে ওজন হ্ৰাসৰ কবলত পৰিছে মহাকাশচাৰী সুনীতা উইলিয়ামছ। তেওঁৰ শেহতীয়া ছবিয়ে নাছাৰ বিজ্ঞানী পৰিয়ালৰ লগতে অনুৰাগী মহলৰ মাজত উদ্বিগ্নতাৰ সৃষ্টি কৰিছে। এই বাতৰিটো ৮ দিনীয়া মিছন হ'লগৈ ৫ মাহৰো অধিক মহাকাশত হাড়ে-ছালে লাগিছে সুনীতা উইলিয়ামছৰ শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া পুনৰ ঘূৰি যাওঁ বাতৰিৰ মাজলৈ।

oooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি পৰ্ট এলিজাবেথত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব। ভাৰতে শুকুৰবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয়খন খেল বুধবাৰে চেঞ্চুৰিয়ানত আৰু চতুৰ্থ তথা অন্তিমখন খেল শুকুৰবাৰে জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

০০০০০০

মহিলাৰ এচিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতা কাইলৈ বিহাৰৰ ৰাজগীৰত আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এই প্ৰতিযোগিতা উদ্বোধন কৰিব। প্ৰতিযোগিতাত ভাৰতসহ মূল ৬ খন দেশে অংশগ্ৰহণ কৰিব। ২০ নৱেম্বৰত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত আটাইকেইখন খেল নৱনিৰ্মিত ৰাজগীৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। প্ৰতিযোগতাত অংশগ্ৰহণ কৰাৰ বাবে ভাৰত, চীন, জাপান, মালয়েছিয়া, থাইলেণ্ড আৰু কোৰিয়াৰ দলকেইটা ইতিমধ্যে বুদ্ধগয়াত উপস্থিত হৈছে। কাইলৈ দিনৰ ১২ বাজি ১৫ মিনিটত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত জাপান কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

নগাঁও জিলাৰ পুৰণি গুদাম নিবাসী বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী পূৰ্ণ চন্দ্ৰ গায়নৰ যোৱা নিশা নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় হালুৱা গাঁও ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় জোনাকী নাট সমাজ আদিৰ প্ৰতিষ্ঠাপক তথা অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।০০০০

০০০০০০

সমাপ্ত